...ৰ উক্তি

...বেংকৰ স্বাৰ্থতে ...মুখ্যমন্ত্ৰী মমতা ...পাৰেচন সিন্দুৰৰ ...তা কৰিছে।

...বিজেপিৰ সভা এখন ...গৃহ মন্ত্ৰী অমিত শ্বাহ


RNI Regn. No- AssAss/2011/38477

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

যোৰহাট সংস্কৰণ মুঠ পৃষ্ঠা ১২

ফোন নং ঃ ০৩৭৬—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ১৯৭ সোমবাৰ ১৮ জেঠ ১৯৪৭ শক ২ জুন ২০২৫ চন ASOMIYA KHABAR JORHAT MONDAY 2 JUNE 2025


যোৰহাটত... ধুবুৰীৰ...

ষ্টাফ ৰিপৰ্টাৰ, যোৰ... পৰাই শত্ৰু ৰাষ্ট্ৰ পাকি... আটক কৰা ঘটনাই তী... হৈছে যোৰহাটৰ লিচুবা... যুৱকজন হ'ল ধুবুৰী... ইছলাম। জানিব পৰা ম...

## কানৈ মহাবিদ্যালয়ত গৱেষণা পত্ৰিকা উন্মোচন

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১ জুন ঃ 'ছ'ফেক এটা কেৱল প্ৰকৃতিপ্ৰেমী সংগঠনেই নহয়, ই এটা হৈছে কানৈ মহাবিদ্যালয়ৰ চিন্তাধাৰা, জীৱন পদ্ধতি আৰু ভৱিষ্যত প্ৰজন্মক জীয়াই ৰখাৰ এটা উপহাৰ।' কানৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলে গঠন কৰা প্ৰায় ২২ বছৰ অতিক্ৰম কৰা প্ৰকৃতিপ্ৰেমী সংগঠন ছ'ফেকৰ দুখনকৈ গ্ৰন্থ উন্মোচন কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। মহাবিদ্যালয়খনৰ গৱেষণালব্ধ আলোচনী 'কৃষ্ণচূড়া' আৰু মুখপত্ৰ উন্মোচন কৰি তেওঁ কয়—কানৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা প্ৰকৃতি সংৰক্ষণ, জনসাধাৰণৰ মাজত পৰিৱেশ সুৰক্ষাৰ সচেতনতা আৰু প্ৰকৃতিক ভালপোৱা চেতনা জাগ্ৰত কৰা আদিৰ কাম কৰি পৃথিৱীখন সুৰক্ষাৰ স'তে মানুহক আন্দোলনমুখী কৰি আহিছে। এই ছ'ফেক মাত্ৰ দুখন আলোচনী, দুখনমান কাগজৰ অংশ হ'ব নোৱাৰে। প্ৰকৃততে ছ'ফেক এটা সামজিক আন্দোলন বুলি উল্লেখ কৰি ই সমাজৰ বাবে এনে এক ইতিবাচক উদাহৰণ হোৱা উচিত, যি উদাহৰণ শিক্ষাৰ লগতে জীৱনৰ সংগতি, প্ৰকৃতিৰ সৌন্দৰ্য অনুভৱ কৰিব পাৰে। ছ'ফেকে নন চিন্তাৰে কাম কৰি যাওক। প্ৰকৃতি সুৰক্ষাৰ আন্দোলন আৰু অধিক জাগ্ৰত আৰু ত্বৰান্বিত কৰক। সভাপতি ড° চন্দনা গোস্বামীৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা গ্ৰন্থ উন্মোচনৰ সভাখনৰ আঁতধৰে সম্পাদিকা ড° এনিশা দত্তই। উল্লেখ্য যে কৃষ্ণচূড়া গৱেষণা পত্ৰিকাখন এইবাৰৰপৰা আই এছ বি এন নম্বৰ সংযুক্ত কৰি প্ৰকাশ কৰা হৈছে। অনুষ্ঠানত যিসকলৰ গৱেষণা পত্ৰ প্ৰকাশ পাইছে সেইসকলক অধ্যক্ষগৰাকীয়ে আৰ্থিক মাননী প্ৰদান কৰাৰ কথাও ঘোষণা কৰে। এই পত্ৰিকাখন বিশেষ সংখ্যা প্ৰকাশ কৰিবলৈও তেওঁ অনুৰোধ কৰে। মহাবিদ্যালয়খনৰ চৌহদত থকা পশু-পক্ষী, কীট-পতংগ, প্ৰাণী, গছ-গছনি, জলাশয় ইত্যাদি সামৰি এখন তথ্যচিত্ৰ নিৰ্মাণ কৰাৰ বাবেও ছ'ফেকৰ কৰ্মকৰ্তাক আহ্বান জনায়। বছৰি মহাবিদ্যালয় চৌহদৰ পৰিৱেশক লৈ এটা গৱেষণাসমৃদ্ধ প্ৰতিবেদন প্ৰকাশ কৰাৰ বাবেও তেওঁ আহ্বান জনায়। উল্লেখ্য যে এই অনুষ্ঠানতে ছ'ফেকৰ পুৰণি সমিতিখন ভংগ কৰি অধ্যাপিকা ড° ৰীতা পোদ্দাৰক সভানেত্ৰী, অধ্যাপিকা শিখামণি কোচ দেউৰীক উপ-সভানেত্ৰী, অধ্যাপিকা ড° হেনৰিয়েটা হুদাক সম্পাদিকা, অধ্যাপিকা ড° লক্ষীমা দেউৰী, অধ্যাপিকা ড° হেমাকাঞ্চন ফুকনক সহকাৰী সম্পাদিকাৰ লগতে দহজনীয়া কাৰ্যকৰী সদস্যৰে সমিতিখন গঠন কৰে। সমিতিখনে নন কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি অধ্যক্ষজনে উল্লেখ কৰে।